# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
------------------
○○○○○

নিৰ্বাচন আয়োগে অসমতো ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী-চমুকৈ এছ্ আই আৰৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। আয়োগৰ নিৰ্দেশনা অনুসৰি ২০২৬ চনৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে ধৰি এই সংশোধনী ঘটাব লাগিব। সেই অনুসৰি কাইলৈৰ পৰা এই সম্পৰ্কীয় নথি পত্ৰ ছপা আৰু নিৰ্বাচনৰ সৈতে জড়িত বিষয়া কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰম্ভ হব। ২১ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰৰ ভিতৰত সমন্বিত খছৰা ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগিব। ২৭ ডিচেম্বৰত খছৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত থকা দাবী আৰু আপত্তিসমূহ ২ ফ্ৰেব্ৰুৱাৰীৰ ভিতৰত নিষ্পত্তি কৰা হ'ব আৰু অহা বছৰৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে আজি প্ৰকাশ কৰা জাননী অনুযায়ী সংবিধানৰ ৩২৬ ধাৰাৰ অধীনত আৰু ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১৬ আৰু ১৯ অনুচ্ছেদৰ অধীনত ৰাজ্যখনত বসবাস কৰা আৰু ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হবলগীয়া নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হব।

নিৰ্বাচন আয়োগৰ এই সিদ্ধান্তক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনাই কয় যে, ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ জৰিয়তে অসমে এখন নিকা আৰু উন্নীত ভোটাৰ তালিকা লাভ কৰিব।

○○○○○

জনতাৰ শিল্পী জুবিন গাৰ্গৰ অবৰ্তমানত কাইলৈ শিল্পীগৰাকীৰ অনুৰাগীসকলে তেওঁৰ ওপজা দিন উদযাপন কৰিবলৈ লৈছে। কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীৰ সৰুসজাই আৰু সোণাপুৰৰ জুবিন ক্ষেত্ৰত এই উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৰাজ্যৰ ৫৩ টা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে প্ৰকাশ কৰিছে। ৰাজ্যিক বিজেপিয়ে কাইলৈ ৰাজ্যৰ ৫৩টা স্থানত ৰক্তদান আৰু তেজৰ গ্ৰুপ চিনাক্ত কৰাৰ বাবে জীৱন সুৰভি নামেৰে শিবিৰৰ আয়োজন কৰিছে। দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই কাইলৈ পুৱা ৯ বজাত শিবিৰ মুকলি কৰিব। বিয়লি ২ বজাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰা খেলপথাৰত আয়োজিত শিবিৰত ৰক্তদান কৰিব বুলি জানিব পৰা গৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে কাইলৈ সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন পালন কৰিবলৈ লৈছে। এই উপলক্ষে জিলাখনৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কৰা হয়। প্ৰকৃতিপ্ৰেমী শিল্পীগৰাকীৰ আদৰ্শক শ্ৰদ্ধা জনোৱাৰ লগতে অনুসৰণ কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি ছাত্ৰ সন্থাৰ বিষয়ববীয়াই প্ৰকাশ কৰিছে। বিজেপিৰ ডিব্ৰুগড় জিলা, জিলাখনৰ ভাৰতীয় জনতা যুৱ মৰ্চা আৰু মাৰোৱাৰী যুৱ

মঞ্চৰ উদ্যোগত কাইলৈ জিলাখনত ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ শিবিৰ মুকলি থাকিব।

ooooo

ৰাজ্যৰ ছটা জনগোষ্ঠীক জনজাতিকৰণ সন্দৰ্ভত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উজনি অসমৰ জিলাকেইখনত প্ৰতিবাদ অব্যাহত আছে। আজি দিছপুৰ প্ৰেছ ক্লাবত টাই আহোম যুৱ পৰিষদ অসমে এখন সংবাদমেলত অনুষ্ঠিত কৰি জনজাতিকৰণৰ দাবী সজোৰে উত্থাপন কৰে। এই দাবী পূৰণ নহ'লে অনাগত সময়ত আন্দোলন তীব্ৰ কৰি তোলা হ'ব বুলিও তেওঁলোকে লগতে উল্লেখ কৰে।

বাইট

ooooo

নগাঁও জিলাৰ সংৰক্ষিত বনাঞ্চলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসন সাজু হৈছে। ইয়াৰ বাবে ইতিমধ্যে জাননী জাৰি কৰা হৈছে। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এখন সংবাদ মেলযোগে এই বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে ১৯১৯ চনতে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা ৫ হাজাৰ ৯০০ বিঘাৰো অধিক ভূমি দখল হৈ আছিল। তেওঁ কয় যে এই লোকসকলক পৰ্যাপ্ত সময় দিয়া হৈছে আৰু এই নিৰ্ধাৰিত সময়ৰ ভিতৰত দখলমুক্ত নকৰিলে প্ৰশাসনে উচ্ছেদ অভিযান চলাবলৈ বাধ্য হ'ব।

ooooo

গুৱাহাটীৰ টাডা আদালতে আজি প্ৰাক্তন আলফা নেতা দৃষ্টি ৰাজখোৱাৰ জামিন মঞ্জুৰ কৰে। এটা অপহৰণৰ গোচৰত অভিযুক্ত দৃষ্টি ৰাজখোৱাই আজি আদালতত হাজিৰ হয়। আদালতে দুজন জামিনদাৰ আৰু প্ৰত্যকৰে এক লাখ টকাৰ জৰিমণাৰ বিনিময়ত ৰাজখোৱাক জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে ১৯৯৩ চনত কাৰ্বি আংলং জিলাৰ খেৰণিত কানহায়ালাল গুপ্তা নামৰ এজন ৰে'লৱেৰ ঠিকাদাৰক অপহৰণৰ এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে দৃষ্টি ৰাজখোৱাসহ আন কেইবাজনৰো বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। আদালতে গোচৰ সংক্ৰান্তত হাজিৰ হোৱা বাবে দৃষ্টি ৰাজখোৱালৈ চমন জাৰি কৰিছিল যদিও নিৰ্ধাৰিত দিনত হাজিৰ নোহোৱা বাবে আদালতে দৃষ্টি ৰাজখোৱাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। সেই অনুসৰি আজি অভিযুক্ত ৰাজখোৱাই আদালতত হাজিৰ হৈ আদালতৰ কোনো গ্ৰেপ্তাৰী পৰোৱানা লাভ কৰা নাই বুলি অৱগত কৰে। এই ভাষ্যৰ আধাৰতে আদালতে অভিযুক্ত ৰাজখোৱাৰ জামিন মঞ্জুৰ কৰে।

ooooo

সমাপ্ত